# অতীতক নাযাবা পাহৰি

**-ডাঃ হেমেন্দ্ৰ  নাথ দত্ত**

**প্ৰশ্ন ১। উত্তৰ দিয়া :**

**( ক ) কোনবাোৰ সম্পদক কলা সম্পদ বুলি কোৱা হয় ?**

উত্তৰঃ অতীতৰ শিল্প কলা , স্থাপত্য , ভাস্কৰ্য , লিপি , মুদ্ৰা , বুৰঞ্জী প্ৰসিদ্ধ স্থান , দলিল আদি যিবিলাক সম্পদে সেই যুগৰ ঐতিহ্য , বুৰঞ্জী , বিজ্ঞান , ধৰ্ম , দৰ্শন আদিৰ সম্ভেদ দিয়ে তেনে সম্পদবাোৰকেই কলা সম্পদ বুলি কোৱা হয় ।

**( খ ) অতীতৰ কিহৰ বিষয়ে এই সম্পদবাোৰে কয় ?**

উত্তৰঃ কলা সম্পদবাোৰে অতীতৰ শিল্পকলা , স্থাপত্য , ভাস্কৰ্য , লিপি , মুদ্ৰা , বুৰঞ্জী প্ৰসিদ্ধ স্থান , দলিল আদিৰ বিষয়ে কয় ।

**( গ ) কোন বিলাক সম্পদক প্ৰত্নতাত্ত্বিক সম্পদ বাোলে ?**

উত্তৰঃ প্ৰাচীন মঠ – মন্দিৰ , লিপি , বাচন-বৰ্তন , আ – অলংকাৰ আদি সম্পদ বিলাকক প্ৰত্নতাত্ত্বিক সম্পদ বাোলে ।

**( ঘ ) প্ৰত্নতত্ত্ব বুলিলে কি বুজা ? পুৰণি কালৰ কলা সম্পদসমূহৰ অধ্যয়নৰ জৰিয়তে আমি কিহৰ বিষয়ে জানিব পাৰোঁ ।**

উত্তৰঃ  প্ৰাচীন মঠ – মন্দিৰ , লিপি , বাচন – বৰ্তন , আ – অলংকাৰ আদি সম্পদ বিলাকৰ বিজ্ঞান সন্মত অধ্যয়নক প্ৰত্নতত্ত্ব বাোলে । পুৰণি কালৰ কলাসম্পদ সমূহৰ অধ্যয়নৰ জৰিয়তে সেই সময়ৰ মানুহৰ জীৱন ধাৰণৰ প্ৰণালী , বসতি স্থান , কলা – সংস্কৃতি , ধৰ্ম , দৰ্শন আদিৰ বিষয়ে জানিব পাৰো ।

**( ঙ ) মহেঞ্জোদাৰৰ আৰু হৰপ্পাৰ খনন কাৰ্যত কি উদ্ধাৰ হৈছে বুলি কৈছে ?**

উত্তৰঃ মহেঞ্জোদাৰাে আৰু হৰপ্পাৰ খনন কাৰ্যত বাচন-বৰ্তন , কেইপদমান আ – অলংকাৰ , নলা – নৰ্দমা , থকা ঘৰ , গা – ধাোৱা ঘৰ আদি উদ্ধাৰ হৈছিল ।

**( চ ) সূৰ্য পাহাৰ কোন জিলাত অৱস্থিত ?**

উত্তৰঃ  সূৰ্য পাহাৰ গা েৱালপাৰা জিলাত অবস্থিত ।

**( ছ ) তেজপুৰৰ ওচৰৰ  বৰা চুবুৰী গাঁৱত কি উদ্ধাৰ কৰা হৈছিল ?**

উত্তৰঃ তেজপুৰত ওচৰৰ বৰা চুবুৰী গাঁৱত পা েৰা মাটিৰ কুঁৱাৰ অৱশেষ উদ্ধাৰ কৰা হৈছিল ।

**(জ)  সূৰ্য পাহাৰৰ খনন কাৰ্যত কি কি উদ্ধাৰ হৈছিল ?**

উত্তৰঃ সূৰ্য পাহাৰৰ খনন কাৰ্যত শিলেৰে নিৰ্মিত বৌদ্ধস্তূপ , জৈনধৰ্মৰ আদিগুৰু নেমিনাথ আৰু ঋষভ নাথৰ ভাস্কৰ্য , শিৱলিংগ , গণেশ আদিৰ মূৰ্তি উদ্ধাৰ হৈছিল ।

**( ঝ ) গা েৱালপাৰা জিলাৰ ‘ পাগলাটেক’ত কি উদ্ধাৰ হৈছিল ?**

উত্তৰঃ গা েৱালপাৰা জিলাৰ পগলাটেকত পা েৰা মাটিৰ বৌদ্ধস্তূপৰ  বিৰল ভাস্কৰ্য উদ্ধাৰ হৈছিল ।

**( ঞ ) গা েলাঘাট জিলাৰ বৰ পথাৰ অঞ্চলৰ ‘ ‘ডুবৰণি’ক প্ৰাচীন অসমৰ বুৰঞ্জীৰ অন্যতম ক্ষেত্ৰ বুলি কিয় কোৱা হৈছে বুজাই লিখা ।**

উত্তৰঃ গা েলাঘাট জিলাৰ বৰপথাৰ অঞ্চলৰ ডুবৰণিক প্ৰাচীন অসমৰ বুৰঞ্জীৰ অন্যতম ক্ষেত্ৰ বুলি কোৱা হয় । কাৰণ এই অঞ্চলৰ ওচৰে – পাজৰে উদ্ধাৰ হা েৱা প্ৰাচীন লিপিসমূহৰ পৰা আমি সেই সময়ত ধৰ্ম , সমাজ , সাহিত্য , ৰাজনৈতিক দিশ আদিৰ অনেক তথ্য পাওঁ ।

কেৱল লিপিয়েইনহয় ডুবৰণি অঞ্চলত প্ৰত্নতাত্ত্বিক খনন কাৰ্যৰ দ্বাৰা উদঘাটন কৰা প্ৰাচীন ইটাৰে নিৰ্মিত মন্দিৰৰ ভেটি , শিৱলিংগ আদিয়ে অতীতত ডুবৰণি অঞ্চলত বিকাশ লাভ কৰা ভাস্কৰ্য আৰু স্থাপত্য কলাৰ ইংগিত বহন কৰিছে ।

**( ট ) গুৱাহাটী নগৰৰ আমবাৰী অঞ্চলৰ খনন কাৰ্যৰদ্বাৰা কিহৰ মূৰ্তি উদ্ধাৰ হৈছিল ?**

উত্তৰঃ গুৱাহাটী নগৰৰ আমবাৰী অঞ্চলৰ খনন কাৰ্যৰ দ্বাৰা নটৰাজৰ মূৰ্তি উদ্ধাৰ কৰা হৈছিল ।

**( ঠ ) শিৱসাগৰ জিলাৰ চৰাইদেউত আহাোম স্বৰ্গদেউৰ সমাধি ক্ষেত্ৰ মৈদামসমূহ উদ্ধাৰ হৈছে । মৈদাম সমূহত উদ্ধাৰ হাোৱা সামগ্ৰীসমূহ কি কি আছিল ? এই মৈদামসমূহৰ লগত কোন দেশৰ মৈদামৰ সাদৃশ্য আছে লিখা ।**

উত্তৰঃ শিৱসাগৰ জিলাৰ চৰাইদেউত উদ্ধাৰ হাোৱা আহাোম স্বৰ্গদেউৰ ৰাজকীয় সমাধি ক্ষেত্ৰ মৈদাম উদ্ধাৰ হৈছে । বৃহৎ আকাৰৰ অৰ্দ্ধ গাোলাকৃতিৰ মৈদাম সমূহৰ স্থাপত্য সমগ্ৰ ভাৰততে বিৰল । ইয়াত উদ্ধাৰ হাোৱা সামগ্ৰীসমূহ হ'ল মৃতকৰ লগত সমৰ্পণ কৰা শৰাই , সঁফুৰা , হাতী দাঁতৰ সামগ্ৰী , সাোণৰ অলংকাৰ অৱশেষ আদি । চীনদেশৰ ৰাজকীয় সমাধি ক্ষেত্ৰৰ লগত এই মৈদাম – সংস্কৃতিৰ সাদৃশ আছে ।

**প্ৰশ্ন ২। শব্দাৰ্থ লিখা :**

উত্তৰঃ প্ৰত্নতত্ত্ব :- প্ৰাচীন মুদ্ৰা , মূৰ্তি , মঠ – মন্দিৰ , আ – অলংকাৰ , বাচন – বৰ্তন , গৃহাৱশেষ আদিৰ পৰা বিজ্ঞান সন্মতভাৱে তথ্য নিৰ্ণয় কৰা বিদ্যা , পুৰাতত্ত্ব ।

**ভগ্নাৱশেষ :-** ভাগি চিগি বৈ যাোৱা অংশ বিশেষ ।

**ভাস্কৰ্য :-** শিলত কটা মূৰ্তি আদি , শিলত কটা শিল্প ।

**স্তুপ :-** থুপ , দম ।

**ঐতিহাসিক :-** ইতিহাস সম্পৰ্কীয় ।

**উদঘাটন :-** মুকলি কৰা কাৰ্য ।

**ঐতিহ্য :-** আগৰে পৰা চলি অহা ৰীতি – নীতি , সংস্কাৰ – সংস্কৃতি ।

**গৌৰৱ :-** সুনাম , সন্মান ।

**প্ৰশ্ন ৩। চমুটোকা লিখা**

**( ক ) শ্ৰীশ্ৰীসূৰ্য পাহাৰ**

উত্তৰঃ এই পাহাৰখনি গাোৱালপাৰা জিলাত অৱস্থিত এখনি ঐতিহাসিক তথা প্ৰত্নতত্ত্বসম্বলিত পাহাৰ । ইয়াত বহুতাে প্ৰাচীন সমল স্তুপীকৃত হৈ আছে । খনন কাৰ্যৰ দ্বাৰা ইয়াত উদ্ধাৰ হৈছে শিলেৰে নিৰ্মিত বৌদ্ধস্তূপ , জৈন ধৰ্মৰ আদি গুৰু নেমিনাথ আৰু

ঋষভ নাথৰ ভাস্কৰ্য , শিৱলিংগ , গণেশ আদিৰ মূৰ্তি । এইবাোৰৰ সমাবেশে শ্ৰীশ্ৰীসূৰ্য পাহাৰক বিভিন্ন ধৰ্মীয় সমাজৰ মিলন ভূমি ৰূপে চিহ্নিত কৰিছে ।

**( খ ) মৈদাম**

উত্তৰঃ মৰা মানুহ পাোতা বা পাোৰা ঠাই , কবৰ , মৰিশালী । মৰিশালী হলেও মৈদামবাোৰ আগৰে পৰাই সজাই পৰাই বা বিশেষ ধৰণে সুৰক্ষিত কৰি ৰক্ষাৰ ব্যৱস্থা চলি আহিছিল । অতি পুৰণি মৈদামবাোৰৰ খনন কাৰ্যৰ দ্বাৰা মৃতকৰ লগত দিয়া অনেক মূল্যবান বস্তু উদ্ধাৰ কৰি সেইবাোৰৰ ওপৰত প্ৰত্নতাত্ত্বিক অধ্যয়ন কৰি বুৰঞ্জী তথা সভ্যতা – সংস্কৃতিৰ অনেক কথা জানিব পৰা গৈছে ।

**( গ ) ডুবৰণি**

উত্তৰঃ গাোলাঘাট জিলাৰ বৰপথাৰ অঞ্চলৰ ডুবৰণি প্ৰাচীন অসমৰ বুৰঞ্জীৰ অন্যতম ক্ষেত্ৰ । এই অঞ্চলৰ ওচৰে – পাজৰে উদ্ধাৰ হাোৰা প্ৰাচীন লিপিসমূহৰ পৰা আমি সমাজ , ধৰ্ম , সাহিত্য , ৰাজনৈতিক দিশ আদিৰ অনেক তথ্য পাওঁ ।

কেৱল লিপিয়েই নহয় ডুবৰণি অঞ্চলত প্ৰত্নতাত্ত্বিক খনন কাৰ্যৰ দ্বাৰা উদঘাটন কৰা প্ৰাচীন ইটাৰে নিৰ্মিত মন্দিৰৰ ভেটি , শিৱ – লিংগ আদিয়ে অতীতত ডুবৰণি অঞ্চলত বিকাশ লাভ কৰা ভাস্কৰ্য আৰু স্থাপত্য কলাৰ ইংগিত বহন কৰিছে ।

**( ঘ ) নটৰাজ**

উত্তৰঃ ঘাইকৈ নৃত্যৰত শিৱক নটৰাজ কোৱা হয় । নটৰাজৰ মূৰ্তি এটি আজিৰপৰা । কিছুবছৰ আগতে গুৱাহাটীৰ আমবাৰীত খনন কাৰ্য চলাই উদ্ধাৰ কৰা হয় । শিৱৰ বাহন নন্দীৰ পিঠিত উঠি নৃত্যৰত অৱস্থাত থকা এই মূৰ্তি সমগ্ৰ ভাৰততে বিৰল ।

**প্ৰশ্ন ৪। ব্যাখ্যা কৰা :**

**( ক ) অতীত যিমানেই সুস্থ , সবল , ভৱিষ্যৎ সিমানেই সুদূৰ প্ৰসাৰী ।**

উত্তৰঃকথাষাৰি খনন কাৰ্যৰ দ্বাৰা বা কোনাে কোনাে ঠাইত পাোৰা প্ৰাচীন সমলবাোৰে কেনে তথ্যৰ সম্ভেদ দিব পাৰে সেই সম্পৰ্কতে কোৱা হৈছে ।

বহুঠাইত খনন কাৰ্যৰ দ্বাৰা ঘাইকৈ অসমৰ গুৱাহাটীৰ আমবাৰী , গাোৱালপাৰা জিলাৰ শ্ৰীসূৰ্য পাহাৰ , গাোলাঘাট জিলাৰ ডুবৰণি অঞ্চল , তেজপুৰৰ ওচৰত বৰাচুবুৰী আদিত

খনন কাৰ্য চলাই লগতে বহু ঠাইত স্থূপিকৃত হৈ থকা নানান ভগ্নাৱশেষবোৰ উদ্ধাৰ দ্বাৰা সেইসময়ত সেইবোৰ ঠাই বা অঞ্চলত চলি থকা মহান সভ্যতা সংস্কৃতিৰ কথা জানিবলৈ দিয়ে।

অতীতৰ তেনে সুস্থ সবল সভ্যতা সংস্কৃতিয়ে ভৱিষ্যৎ সভ্যতা সংস্কৃতি গঢ় লৈ উঠাত অপৰিসীম অৱদান আগবঢ়ায়।

**( খ ) উত্তৰ ভাৰতৰ গংগানদীৰ উপত্যকা আৰু অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত একে সময়তে সভ্যতা সংস্কৃতিৰ বিকাশ হৈছিল।**

উত্তৰঃ খনন কাৰ্যৰ দ্বাৰা সভ্যতা সংস্কৃতিৰ কিদৰে উমান পাব পাৰি এই কথা ক'বলৈ। যাওঁতে 'অতীক নাযাবা পাহৰি ' শীৰ্ষক প্ৰৱন্ধটিত এই কথা উল্লেখ কৰিছে।

তেজপুৰৰ ওচৰৰ চুবুৰী গাঁৱত খনন কাৰ্য চলাই উদ্ধাৰ কৰা হৈছে পোৰা মাটিৰ কুঁৱৰ অৱশেষ। আনহাতে এনে পোৰা মাটিৰ কুঁৱাৰ অৱশেষ গংগা নদীৰ প্ৰাচীন প্ৰত্নতাত্ত্বিক স্থানতো পোৱা গৈছে।ইয়াৰ দ্বাৰা প্ৰমাণ হয় যে উত্তৰ ভাৰতৰ গংগা নদীৰ উপত্যকা আৰু অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত একে সময়তে সভ্যতা আৰু সংস্কৃতিৰ বিকাশ হৈছিল।

**প্ৰশ্ন ৫। তলৰ শব্দবোৰৰ বিপৰীতাৰ্থক শব্দ পাঠৰ পৰা বিচাৰি লিখা।**

**উপস্থিত , চিনাকি , প্ৰাচীন , পৰিকল্পিত , ধ্বংস , নবীন , দুৰ্বল , বৈসাদৃশ্য।**

উত্তৰঃ

উপস্থিত – অনুপস্থিত।

চিনাকি – অচিনাকি।

প্ৰাচীন – নতুন, আধুনিক।

পৰিকল্পিত – অপৰিকল্পিত।

ধ্বংস – সৃষ্টি , নিৰ্মাণ।

নবীন – প্ৰাচীন , প্ৰবীণ।

দুৰ্বল – সবল ।

বৈসাদৃশ্য – সাদৃশ্য ।

**প্ৰশ্ন৬। বাক্য ৰচনা কৰা ।**

**ভগ্নাৱশেষ , ইতিহাস , উৎঘাটন , উদ্ধাৰ , খনন , নিৰ্মাণ , ঐতিহ্য , আপুৰুগীয়া ।**

উত্তৰঃ **ভগ্নাৱশেষ :-** শ্ৰীশ্ৰীসূৰ্য পাহাৰত প্ৰাচীন মঠমন্দিৰৰ ভগ্নাৱশেষ পাোৱা গৈছে ।

**ইতিহাস :-** অসমৰ প্ৰাচীন সভ্যতা – সংস্কৃতিৰ ইতিহাস বৰ চহকী ।

**উৎঘাটন :-** খননকাৰ্যৰ দ্বাৰা প্ৰাচীন মানৱৰ সভ্যতা – সংস্কৃতিৰ বহু কথাই উৎঘাটন কৰিব পাৰি ।

**উদ্ধাৰ , খনন :-** খনন কাৰ্যৰ দ্বাৰা মাটিত পোত গৈ থকা ভালেমান উদ্ধাৰ কৰিব পাৰি ।

**নিৰ্মাণ :-** ভাগি যাোৱা প্ৰাচীন মঠ – মন্দিৰৰ ঠাইত বৰ্তমান নতুন মঠ- মন্দিৰ নিৰ্মাণ কৰা হৈছে ।

**ঐতিহ্য :-** ভাৰতীয় সভ্যতাৰ ঐতিহ্য বৰ মহান ।

**আপুৰুগীয়া :-** খনন কাৰ্যৰদ্বাৰা উদ্ধাৰ হাোৱা বস্তুবাোৰ বৰ আপুৰুগীয়া সম্পদ ।

**প্ৰশ্ন ৭ তলৰ বাক্যবিলাকৰ অৰ্থ এটা শব্দত প্ৰকাশ কৰা ।**

**( ক ) কোনাো বস্তুৰ ভগা – চিগা অংশবোৰ**

উত্তৰঃ ভগ্নাৱশেষ ।

**( খ ) প্ৰাচীন যুগৰ সম্পদসমূহৰ বিষয়ে কৰা অধ্যয়ন**

উত্তৰঃ প্ৰত্নতত্ত্ব ।

**( গ ) প্ৰাচীন যুগৰ সম্পদসমূহ সংৰক্ষণ কৰি ৰখা স্থান**

উত্তৰঃ যাদুঘৰ ।

**( ঘ ) শিলত কটা শিল্প ।**

উত্তৰঃ ভাস্কৰ্য ।

**প্ৰশ্ন ৮। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ দিয়া ।**

**( ক ) ‘ অ’ভাৰহেড প্ৰজেক্টৰ বুলিলে কি বুজা ?**

উত্তৰঃ  অভাৰহেজ প্ৰজেক্টৰ এবিধ প্ৰক্ষেপণ যন্ত্ৰ । ইয়াৰ সহায়ত স্বচ্ছ কাগজত লিখি লােৱা কথা বা ছবি আদি প্ৰতিফলন পৰ্দাত ডাঙৰকৈ দেখুৱাব পাৰি । ইয়াৰ জৰিয়তে কথা বুজিবলৈ বা বুজাবলৈ সুবিধা ।

**( খ ) অভাৰহেড প্ৰজেক্টৰৰ সহায়ত কি কৰিব পাৰি ?**

উত্তৰঃ অ’ভাৰহেড প্ৰজেক্টৰৰ সহায়ত স্বচ্ছ কাগজত লিখি লােৱা কথা বা ছবি আদি প্ৰতিফলন পৰ্দাত ডাঙৰকৈ দেখুৱাব পাৰি । ইয়াৰ জৰিয়তে কথা বুজিবলৈ আৰু বুজাবলৈ বৰ সুবিধা ।

**( গ ) প্ৰত্নতাত্ত্বিক সম্পদৰ সময় নিৰূপণ কৰা ব্যৱস্থাটোক কি বুলি কোৱা হয় ?**

উত্তৰঃ প্ৰত্নতাত্ত্বিক সম্পদৰ সময় নিৰূপন কৰা ‘কাৰ্বন ফৰটিন মেথদ’ বুলি কোৱা হয় ।

**( ঘ ) প্ৰত্নতাত্ত্বিক খনন কাৰ্য সমাধা হােৱা কেইখনমান ঠাইৰ নাম লিখা ।**

উত্তৰঃ প্ৰত্নতাত্ত্বিক খনন কাৰ্য সমাধা হােৱা কেইখনমান ঠাইৰ নাম হ’ল – শ্ৰীশ্ৰীসূৰ্য পাহাৰ , গুৱাহাটীৰ আমবাৰী , গােলাঘাট জিলাৰ বৰপথাৰ অঞ্চলৰ ডুবৰণি , মদন কামদেৱ দ – পৰ্বতীয়া , ন-নাথ আদি ।

**( ঙ ) লিপিসমূহৰ অধ্যয়নে কি কি তথ্যৰ যােগান ধৰে ?**

উত্তৰঃ লিপিসমূহৰ অধ্যয়নে ৰাজনৈতিক , সামাজিক , অৰ্থনৈতিক আদি নানান তথ্যৰ যােগান ধৰে ।

**প্ৰশ্ন ৯। ‘প্ৰত্নতাত্ত্বিক সম্পদসমূহৰ বৈজ্ঞানিক বিশ্লেষণ আৰু সংৰক্ষণ অতি আৱশ্যক।**

***‘— এই কথাখিনি বিষয়বস্তু হিচাপে লৈ শ্ৰেণীত সপক্ষে আৰু বিপক্ষে দুটা দলহৈ তৰ্ক প্ৰতিযােগিতাৰ আয়ােজন কৰা । সপক্ষে আৰু বিপক্ষে যুক্তি আগবঢ়াবলৈ শিক্ষকৰ সহায় লােৱা ।***

উত্তৰঃ ছাত্ৰ-ছাত্ৰীয়ে নিজে কৰা ।

**প্ৰশ্ন ১০। তােমাৰ ওচৰত থকা পুৰণি কীৰ্তি চিহ্ন ।**

***মন্দিৰ/ নামঘৰ/ মছজিদৰ বিষয়ে জানিবলৈ শ্ৰেণীৰ আটায়ে একগােট হৈ ক্ষেত্ৰ ভ্ৰমণৰ আয়ােজন কৰা আৰু তাত দেখা কাৰু-কাৰ্যৰ বিষয়ে বৰ্ণনা কৰা ।***

উত্তৰঃ কোনাে শিক্ষক বা অভিভাৱকৰ নেতৃত্বত কলৈ কি চাবলৈ গলা , কেনেকৈ গলা , তাত কি দেখিলা , দেখি তােমাৰ কেনে লাগিল , সেইবােৰ দেখি তােমাৰ কি অভিজ্ঞতা হ’ল , সেইবােৰ কেনেদৰে সংৰক্ষিত হৈ আছে , তালৈ মানুহৰ আকৰ্ষণ কেনে , ইত্যাদি কথা বৰ্ণনা কৰিলেই তােমাৰ ক্ষেত্ৰ ভ্ৰমণৰ বৰ্ণনা পূৰ্ণ হ’ব ।